**'অসম জাতীয় বিদ্যালয়ে যেন সমগ্র অসমখনকে প্ৰতিনিধিত্ব কৰিছে'।**
**বিদ্যালয়ৰ বাৰ্ষিক খেল-ধেমালি অনুষ্ঠানত জিলা উপায়ুক্ত ড° এম অংগমুথু**

**নুনমাটি, ২৪ জানুৱাৰি, ২০১৮** : 'অসম জাতীয় বিদ্যালয়ে যেন সমগ্র অসমখনকে প্ৰতিনিধিত্ব কৰিছে। বৃহত্তৰ অসমীয়া সংস্কৃতি-ৰীতি-নীতিৰ যেন পূৰ্ণ প্ৰতিফলন ঘটিছে এই বিদ্যালয়খনত।'— আজি নুনমাটিৰ অসম জাতীয় বিদ্যালয়ে বাৰ্ষিক খেল-ধেমালিৰ আৰম্ভণীৰ অনুষ্ঠানত মুখ্য অতিথি হিচাপে মাৰ্চ-পাষ্টৰ অভিবাদন গ্ৰহণ কৰি এই মন্তব্য প্ৰদান কৰে কামৰূপ মহানগৰ জিলাৰ উপায়ুক্ত ড° এম অংগমুথুৱে। উপায়ুক্ত গৰাকীয়ে বিদ্যালয়খনৰ বিভিন্ন কাৰ্যাৱলীৰ প্ৰশংসা কৰাৰ লগতে বিদ্যালয়খনত যথাসম্ভৱ সহায়-সহযোগিতা আগবঢ়োৱাৰ কথাও ঘোষণা কৰে। আজিৰে পৰা অহা ২৯ জানুৱাৰিলৈকে অনুষ্ঠিত হ'বলগীয়া খেল-ধেমালি উপলক্ষে বিদ্যালয়ৰ পতাকা উত্তোলনেৰে কাৰ্যসূচীৰ শুভাৰম্ভ কৰে অধ্যক্ষ ঘনশ্যাম মেধিয়ে। বিদ্যালয় সপ্তাহৰ শিখা প্ৰজ্বলন কৰে যোৱা বৰ্ষৰ শ্ৰেষ্ঠ খেলুৱৈ কৌশিক দাস আৰু আস্থা বৰাই। প্ৰথম কাৰ্যসূচী হিচাপে আয়োজন কৰা মাৰ্চ-পাষ্ট প্ৰতিযোগিতাত বিচাৰক হিচাপে উপস্থিত থাকে স্কাউট প্ৰশিক্ষক ভগীৰথ কলিতা, ৰঞ্জিত কুমাৰ দাস আৰু কমলা উজীৰ। আজিৰ সমগ্র অনুষ্ঠানটোৰ আঁত ধৰে বিদ্যালয়ৰ জ্যেষ্ঠ শিক্ষয়িত্ৰী অপৰ্ণা দেৱী আৰু জ্যেষ্ঠ শিক্ষক অসীম কৃষ্ণ বৰুৱাই। বিদ্যালয় পৰিচালনা সমিতিৰ সভাপতি দিলীপ কুমাৰ দত্ত চৌধুৰী, সচিব ডা° নাৰায়ণ শৰ্মা আৰু বিদ্যালয়খনৰ ৰেক্টৰ ৰঞ্জিত নাৰায়ণ ডেকাও এই অনুষ্ঠানত উপস্থিত থাকে।

ঘনশ্যাম মেধি
(ঘনশ্যাম মেধি)
অসম জাতীয় বিদ্যালয়
নুনমাটি, গুৱাহাটী-৭৮১০২০
ফ'ন : ৯৭০৬০২৫১৬৭

## Reflection of Greater Assamese Culture in Assam Jatiya Bidyalay, Noonmati

**Dr. M. Angamuthu kicks off Annual Sports and March-Past**

**Noonmati, 24 January, 2018 :** 'Assam Jatiya Bidyalay is now representing the greater Assamese culture as its functioning has been reflecting all the ethnic and traditional values of this North-Eastern State.' Said Dr. M. Angamuthu, the Deputy Commissioner of Kamrup (Metro) in his speech while attending as the chief guest and receiving Guard of Honour of the March-Past ceremony, the first day programme of the Annual Sports of Assam Jatiya Bidyalay which will continue upto 29 January, 2018. The Deputy Commissioner also applauded various functioning of the school and inspired the students to keep on pursuing their goals following the motto of discipline, punctuality and perseverance. The Annual Sports began today with the school flag hoisting by the Principal Ghanashyam Medhi. The Sports Flame was lit by Kaushik Das and Aastha Bora respectively, the best player from the previous year. In this March-Past competition, Bhagirath Kalita, Ranjit Kumar Das and Kamala Ujir were present as the judges. The first day ceremony was attended by Rector Ranjit Narayan Deka, Dilip Kumar Dutta Choudhury, the President of the management committee, Dr. Narayan Sharma, the secretary of the management committee, Narendra Mohan Goswami, the academic officer, all the teaching and non-teaching staff and guardians. The whole programme was conducted by Aparna Devi and Ashim Krishna Baruah, two senior teachers from the department of Social Science.



(Ghanashyam Medhi)
Principal
Assam Jatiya Bidyalay
Noonmati, Guwahati